# B.Ed. Lesson Plan
https://gyanshalatips.in/

# Micro-Teaching Lesson Plan

# অণুশিক্ষণ পাঠ পৰিকল্পনা

## বিষয় : সমাজ বিজ্ঞান

## কৌশল: কৃষ্ণফলক লিখন (Blackboard Writing)

**তথ্য চিনাক্তকৰণ :**

| | |
|---|---|
| **বিষয় :** সমাজ বিজ্ঞান<br>**পাঠ :** সম্পদ<br>**শেণী :** সপ্তম | **শিক্ষক প্ৰশিক্ষাৰ্থীৰ নাম :**<br>**সময় :** ৭ মিনিট<br>**তাৰিখ :** |

**শিক্ষণীয় সঁজুলি :** চক, দাস্তাৰ, ৰঙীন চক , নিৰ্দেশাত্মক দণ্ড ।

| | |
|---|---|
| **প্ৰস্তাৱনা** | শিক্ষকজনে পাঠৰ নাম ঘোষণা কৰাৰ পাছত পাঠৰ নামটো কৃষ্ণফলকৰ ওপৰভাগৰ সোঁমাজত স্পষ্টকৈ লিখি দিব আৰু ৰঙীন চকেৰে আঁচতানি দিব ।<br>**সম্পদ** |
| **বিকাশ** | শিক্ষকজনে পাঠৰ মূল বিষয়ত ছাত্ৰ-ছাত্ৰীৰ লগত চমুকৈ আলোচনা কৰিব আৰু আলোচিত বিষয়বস্তু সমূহ কৃষ্ণফলক লিখনৰ বিভিন্ন কৌশল যেনে স্পষ্টতা , শুদ্ধতা, যথাৰ্থস্থিতি, ছাত্ৰ-ছাত্ৰীৰ লগত সংযোগ স্থাপন আদি উপকৌশল সমূহ অৱলম্বন কৰি তলত দিয়াধৰণে কৃষ্ণফলকত লিখিব লাগিব ।<br><br>**সম্পদ**<br><br>**সংজ্ঞা :** মানুহৰ জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বস্তুকেই সম্পদ বুলি কোৱা হয় । উদাহৰণ স্বৰূপে : বায়ু, পানী, সূৰ্যৰ ৰশ্মি, গছ-গছনি, ঘৰ-দুৱাৰ ।<br>**সম্পদৰ প্ৰকাৰ :** সম্পদ তিনিপ্ৰকাৰ :<br>**১) প্ৰাকৃতিক সম্পদ**<br>**২) মানৱ সম্পদ**<br>**৩) মানৱসৃষ্ট সম্পদ**<br><br>**১) প্ৰাকৃতিক সম্পদ :** যিবোৰ বস্তু বা সামগ্ৰী প্ৰকৃতিৰ পৰা আহৰণ কৰা হয় তাকে প্ৰাকৃতিক সম্পদ বুলি কোৱা হয় ।<br>উদাহৰণ : বায়ু, পানী, মাটি, গছ-গছনি |

gyanshalatips.in

| | |
|---|---|
| বি কা শ | **২) মানৱ সম্পদ :** যিসকল ব্যক্তি শাৰীৰিক আৰু মানসিকভাৱে কোনো উৎপাদন মুখী কাম কৰি সমাজৰ বিকাশত অৰিহনা আগবঢ়াবলৈ সক্ষম হয় সেইসকল ব্যক্তি হৈছে মানৱ সম্পদ ।<br>উদাহৰণ : শিল্পী, সাহিত্যিক, খেলুৱৈ ইত্যাদি ।<br><br>**৩) মানৱসৃষ্ট সম্পদ :** মানুহে জ্ঞান, বুদ্ধি, কৌশল খটুৱাই প্ৰাকৃতিক উপাদানসমূহ মানুহৰ প্ৰয়োজনীয় কামত ব্যৱহাৰ কৰাকে মানৱসৃষ্ট সম্পদ বোলে ।<br>উদাহৰণ : ৰাস্তা, ঘাট, দলং, বাসগৃহ, উদ্যোগ । |
| সা ম ৰ ণি | ছাত্ৰ-ছাত্ৰীসকলে বিষয়বস্তুসমূহ নিজৰ টোকাবহীত লিখি লোৱাৰ পাছত শিক্ষকে দস্তাৰৰ সহায়ত কৃষ্ণফলকখন পৰোষ্কাৰ কৰি শ্ৰেণীকক্ষ ত্যাগ কৰিব । |

gyanshalatips.in